# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 01-04-2025
**Time :** 0900 hrs

ASSAMESE MORNING BULLETIN

**::::::::::::::::::**

HEDLINE

১।	পঞ্চায়ত নিৰ্বাচনৰ দিন দুই-এদিনৰ ভিতৰতে ঘোষণা কৰাৰ সম্ভাৱনা আছে বুলি মুখ্যমন্ত্ৰীৰ ইংগিত।

২।	ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ কাইলৈ হ'বলগীয়া নিৰ্বাচনৰ বাবে যাৱতীয় প্ৰস্তুতি সম্পন্ন। পুৱা ৭ বজাৰ পৰা বিয়লি ৩ বজালৈ নিৰ্বাচনৰ ভোটগ্ৰহণ।

৩।	ৰাজ্যত আজিৰেপৰা ঘৰুৱা বিদ্যুৎ গ্ৰাহকৰ বাবে বিদ্যুৎ মাচুল প্ৰতি ইউনিটত ২৫ পইচাৰ পৰা এটকালৈকে হ্ৰাস।

৪।	কৃষকৰ আয় বৃদ্ধিৰ লক্ষ্যৰে ধান আৰু সৰিয়হৰ ক্ষেত্ৰত আজিৰে পৰা কাৰ্যকৰী হোৱাকৈ ৰাজ্য চৰকাৰৰ ন্যূনতম সমৰ্থিত মূল্য বৃদ্ধি।

*আৰু*

৫।	কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীসকলৰ বাবে উমৈহতীয়া পেঞ্চন আঁচনি আজিৰ পৰা কাৰ্যকৰী।

ooooo

অহা ৫ এপ্ৰিলৰ পূৰ্বে পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ সম্ভাৱনা আছে বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি বিশ্বনাথত আয়োজিত অনুষ্ঠানত প্ৰকাশ কৰে। পঞ্চায়ত নিৰ্বাচনৰ লগতে বি টি আৰ নিৰ্বাচনৰ বাবেও ৰাজ্যিক বিজেপিয়ে যাৱতীয় তৎপৰতা আৰম্ভ কৰিছে। এই অনুসৰি কালি বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই পঞ্চায়ত নিৰ্বাচনৰ বাবে ৩১ খন জিলাত প্ৰভাৰী আৰু সহ-প্ৰভাৰী নিয়োগ কৰিছে। ১৪ গৰাকী মন্ত্ৰীক জিলা প্ৰভাৰীৰ বিশেষ নিৰ্বাচনী দায়িত্ব অৰ্পণ কৰা হৈছে। তদুপৰি পঞ্চায়ত নিৰ্বাচনৰ বাবে ৰাজ্যিক বিজেপিয়ে মন্ত্ৰী পীযুষ হাজৰিকাক আহ্বায়ক হিচাপে লৈ এখন নিৰ্বাচনী ব্যৱস্থাপনা সমিতি আৰু মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসক আহ্বায়ক হিচাপে লৈ ইস্তাহাৰ সমিতি গঠন কৰিছে। একেদৰে বি টি আৰ নিৰ্বাচনৰ বাবে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা, ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়া, কেইবাগৰাকী মন্ত্ৰী আৰু দলৰ অন্যান্য বিষয়ববীয়াক লৈ এখন কৰ্ণধাৰ সমিতি গঠন কৰা হৈছে। এই সমিতিয়ে বি টি আৰ নিৰ্বাচনৰ সকলো দিশ তদাৰক কৰাৰ লগতে প্ৰয়োজনীয় পৰামৰ্শ দিব। কৰ্ণধাৰ সমিতিখনত মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, জয়ন্ত মল্লবৰুৱা, পীযুষ হাজৰিকা, অশোক সিংহল, কৌশিক ৰায়কে ধৰি ভালেসংখ্যক সদস্য অন্তৰ্ভুক্ত কৰা হৈছে।

ooooo

ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচন কাইলৈ অনুষ্ঠিত হ'ব। গোৱালপাৰা আৰু কামৰূপৰ মুঠ ৩৩টা পৰিষদীয় সমষ্টিত কাইলৈ পুৱা ৭ বজাৰ পৰা বিয়লি ৩ বজালৈ নিৰ্বাচনৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে গোৱালপাৰা জিলাত ১৯টা আৰু কামৰূপ জিলাত ১৪টা সমষ্টি আছে। নিৰ্বাচনৰ বাবে জিলা

দুখনৰ প্ৰশাসন সম্পূৰ্ণৰূপে সাজু হৈ উঠিছে। আমাৰ গোৱালপাৰাৰ সংবাদদাতাই জনোৱা অনুসৰি জিলাখনৰ ১৯ টা সমষ্টিত ৩৬২ টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। নিৰ্বাচনৰ বাবে নিয়োজিত পুলিং আৰু প্ৰিজাইডিং বিষয়াসকলে বেলট পেপাৰ, বেলট বাকচ আদি লৈ ভোটগ্ৰহণ কেন্দ্ৰলৈ ৰাওনা হ'ব। কাইলৈ জিলাখনত দুই লাখ ৪০ হাজাৰ ২৫ গৰাকী ভোটাৰে ৫২ গৰাকী প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব। কামৰূপ জিলাৰ ১৪ টা পৰিষদীয় সমষ্টিৰ বাবে নিৰ্বাচনী প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। সমষ্টিকেইটাত এক লাখ ৬৮ হাজাৰ ৬৬৮ গৰাকী ভোটদাতা আছে। নিৰ্বাচনী বিষয়াসকল আজি ভোটকেন্দ্ৰসমূহলৈ ৰাওনা হ'ব। এই নিৰ্বাচন শান্তিপূৰ্ণকৈ অনুষ্ঠিত কৰাৰ বাবে প্ৰশাসনে সকলো ব্যৱস্থা লৈছে। এই সন্দৰ্ভত আমাৰ কামৰূপ জিলাৰ সংবাদদাতা কৌশিক দাসে এইদৰে কয়–

*(ভইচ ঃ কৌশিক দাস)*

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, পৰিষদৰ তিনিখন আসনত এন ডি এৰ প্ৰাৰ্থী তিনিগৰাকী বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈছে। পৰিষদৰ মুঠ ৪০ খন আসনৰ ভিতৰত ৪ খনৰ বাবে সদস্য মনোনীত কৰা হয়। পৰিষদীয় সমষ্টিকেইটাত ৪ লাখ ৪৫ হাজাৰ ৫৮৬ গৰাকী ভোটদাতা আছে আৰু ইয়াৰে ২ লাখ ২৯ হাজাৰ ৩৯৪ গৰাকী মহিলা ভোটদাতা। ৪ এপ্ৰিলত নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ব।

ooooo

ৰাজ্যত আজিৰেপৰা ঘৰুৱা বিদ্যুৎ গ্ৰাহকৰ বাবে বিদ্যুৎ মাচুল প্ৰতি ইউনিটত ২৫ পইচাৰ পৰা এটকালৈকে হ্ৰাস কৰা হ'ব। সাধাৰণ গ্ৰাহকৰ উপৰি উদ্যোগ, কাৰখানা, কৃষি ইত্যাদি বাণিজ্যিক সংযোগ থকা গ্ৰাহকসকলৰ ক্ষেত্ৰত প্ৰতি ইউনিটত ২৫ পইচাকৈ মাচুল হ্ৰাস পাব। অৱশ্যে গ্ৰাহকসকলে মে' মাহৰ মাচুলতহে ইয়াৰ প্ৰতিফলন দেখা পাব। অসম বিদ্যুৎ বিতৰণ কোম্পানী  লিমিটেড এ পি ডি চি এলে আজিৰেপৰা তিনি তৰপীয়া নিৰিখত বিদ্যুৎ মাচুল সংগ্ৰহ কৰিব। এই অনুসৰি দিনৰ সময়, সন্ধ্যা আৰু নিশা এই তিনিটা ভাগত পৃথক পৃথককৈ বিদ্যুৎ মাচুল সংগ্ৰহ কৰা হ'ব। অৱশ্যে গ্ৰাহকে ইচ্ছা কৰিলেহে এই তিনি তৰপীয়া পদ্ধতিৰে মাচুল আদায় দিব পাৰিব। পূৰ্বৰ দৰে দিনটোৰ বাবে এটা নিৰিখতে মাচুল আদায় দিয়াৰ বিকল্পও এ পি ডি চি এলে গ্ৰাহকৰ বাবে ৰাখিছে। গ্ৰাহকে বিচাৰিলে শক্তি বিভাগে তেওঁলোকৰ মিটাৰত তিনি তৰপীয়া মাচুলৰ সেৱা সংযোগ কৰিব। তিনি তৰপীয়া পদ্ধতিৰ অধীনত নৰ্মেল আৱাৰত অৰ্থাৎ নিশা ১০ বজাৰ পৰা পুৱা ৯ বজালৈ সাধাৰণ নিৰিখত মাচুল সংগ্ৰহ কৰা হ'ব। পুৱা ৯ বজাৰ পৰা ৫ বজালৈ ছ'লাৰ আৱাৰ হিচাপে অভিহিত কৰাৰ সময়খিনিত ২০ শতাংশ মাচুল কমকৈ দিব লাগিব। ইপিনে, আবেলি ৫ বজাৰ পৰা নিশা ১০ বজালৈ পিক আৱাৰত বিদ্যুৎ মাচুল সাধাৰণ নিৰিখৰ ১২০ শতাংশ হ'ব। উল্লেখযোগ্য যে অহা নৱেম্বৰ-ডিচেম্বৰত সাধাৰণ গ্ৰাহকৰ বাবে বিদ্যুতৰ মাচুল পুনৰ এটকা হ্ৰাস পাব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি বিশ্বনাথত ঘোষণা কৰিছে। অসম বিদ্যুৎ নিয়ামক আয়োগে যোৱা ২৫ মাৰ্চত আজিৰেপৰা প্ৰযোজ্য হোৱাকৈ বিদ্যুতৰ নতুন নিৰিখ সন্দৰ্ভত নিৰ্দেশনা জাৰি কৰিছিল। অসম বিদ্যুৎ বিতৰণ কোম্পানী এ পি ডি চি এল, অসম বিদ্যুৎ গ্ৰীড কোম্পানী আৰু ৰাজ্যিক ভাৰ বিতৰণ কেন্দ্ৰৰ আবেদনৰ ওপৰত ভিত্তি কৰি এই নতুন নিৰিখ সন্দৰ্ভত নিৰ্দেশনা জাৰি কৰা হয়। আয়োগে সকলো পক্ষৰ মতামত গ্ৰহণৰ পাছত সাধাৰণ গ্ৰাহক আৰু জীৱনধাৰা আঁচনিৰ অধীনৰ গ্ৰাহকৰ বাবে প্ৰতি ইউনিটত বিদ্যুৎ মাচুল এটকাকৈ হ্ৰাস কৰাৰ নিৰ্দেশ দিছিল। আন সকলো গ্ৰাহকৰ বাবে

প্ৰতি ইউনিটত ২৫ পইচাকৈ বিদ্যুৎ মাচুল হ্ৰাস কৰাৰ নিৰ্দেশ দিয়া হৈছে। উল্লেখযোগ্য যে এ পি ডি চি এলে দাখিল কৰা আবেদনত ২০২৫-২৬ বৰ্ষৰ বাবে নতুন নিৰিখত সাধাৰণ গ্ৰাহকৰ বিদ্যুৎ মাচুল বৃদ্ধিৰ প্ৰস্তাৱ দাখিল কৰা হোৱা নাছিল। অসম বিদ্যুৎ নিয়ামক আয়োগে সাধাৰণ গ্ৰাহক, বিদ্যুতৰ উৎপাদন, বিতৰণ আৰু গ্ৰীডৰ তিনিওটা কোম্পানীৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি এই নিৰিখ নিৰ্ধাৰণ কৰিছিল। ইয়াৰ পূৰ্বে আয়োগে সংশ্লিষ্ট সকলো পক্ষৰে মতামত গ্ৰহণ কৰাৰ উপৰি যোৱা ১২ মাৰ্চত আয়োগৰ কাৰ্যালয়ত ৰাজহুৱা শুনানিও গ্ৰহণ কৰিছিল। এই শুনানিত ১২ টা পক্ষই বিদ্যুৎ নিৰিখ আবেদন সন্দৰ্ভত নিজৰ মতামত আগবঢ়াইছিল।

00000

উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ প্ৰশ্নকাকত ফাদিল হোৱা তিনিটা বিষয়ৰ পৰীক্ষা নতুনকৈ অনুষ্ঠিত নকৰাৰ কথা বিবেচনা কৰিবলৈ  বাবে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদ আৰু শিক্ষা বিভাগক  মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই আহ্বান জনাইছে। মুখ্যমন্ত্ৰীয়ে কালি সামাজিক মাধ্যমযোগে এই পৰামৰ্শ আগবঢ়ায়। তেওঁ কয়, যে দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ বাবে চূড়ান্ত পৰীক্ষা আৰু অন্য প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰস্তুতিৰ সময় আহি পৰিছে। পঞ্চায়ত নিৰ্বাচনৰ পাছত একাদশ শ্ৰেণীৰ পৰীক্ষা অনুষ্ঠিত কৰিলে পৰীক্ষাৰ্থীসকলৰ উদ্বেগ বৃদ্ধি পোৱাৰ লগতে তেওঁলোকৰ বহুমূলীয়া সময়ো নষ্ট হ'ব বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে।

-বাইট-

উল্লেখযোগ্য যে ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনী প্ৰচাৰৰ সময়ত মুখ্যমন্ত্ৰীক দুধনৈত এগৰাকী ছাত্ৰীয়ে সাক্ষাৎ কৰি এই বিষয়ে অৱগত কৰিছিল। এই বিষয়টোত আলোকপাত কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে মে' মাহত একাদশ শ্ৰেণীৰ পৰীক্ষা অনুষ্ঠিত কৰিলে দ্বাদশ শ্ৰেণীৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ অধ্যয়নৰ সময় হ্ৰাস পাব আৰু তেওঁলোকৰ ক্ষতি হ'ব। সেয়েহে তেওঁ শিক্ষা বিভাগক বিষয়টো পুনৰ বিবেচনা কৰিবলৈ আহ্বান জনায়।

00000

কৃষকৰ আয় বৃদ্ধিৰ বাবে ৰাজ্য চৰকাৰে আজিৰ পৰা কাৰ্যকৰী হোৱাকৈ ধান আৰু সৰিয়হৰ ন্যূনতম সমৰ্থন মূল্য বৃদ্ধি কৰিছে। এই সন্দৰ্ভত কৃষি বিভাগে জনোৱা অনুসৰি সংগৃহীত ধানৰ ক্ষেত্ৰত প্ৰতি কুইণ্টলত ২৫০ টকাকৈ আৰু সৰিয়হত প্ৰতি কুইণ্টলত ৫০০ টকাকৈ বৃদ্ধি কৰা হৈছে। ফলস্বৰূপে এতিয়াৰে পৰা ধানত পূৰ্বৰ নিৰ্ধাৰিত ন্যূনতম সমৰ্থন মূল্য দুহেজাৰ ৩০০ টকাৰ পৰা দুহেজাৰ ৫৫০ টকালৈ আৰু সৰিয়হত পাঁচ হাজাৰ ৯৫০ টকাৰ পৰা ৬ হেজাৰ ৪৫০ টকালৈ বৃদ্ধি পাব।

00000

**কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীসকলৰ বাবে উমৈহতীয়া পেঞ্চন আঁচনি আজিৰেপৰা কাৰ্যকৰী হৈছে। কেন্দ্ৰীয় চৰকাৰে ৰাষ্ট্ৰীয় পেঞ্চন ব্যৱস্থাৰ অধীনত এটা বিকল্প হিচাপে এই আঁচনি প্ৰৱৰ্তন কৰিছিল। পেঞ্চন পুঁজি নিয়ামক আৰু উন্নয়ন প্ৰাধিকৰণ -  পি এফ আৰ ডি এ-য়ে শেহতীয়াকৈ এই আঁচনিৰ কাৰ্য্যকৰীকৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীসকলৰ তিনিটা গোটৰ সৈতে সম্পৰ্কিত নীতি-নিৰ্দেশনাসমূহ প্ৰকাশ কৰিছে  । ইয়াৰে প্ৰথম শ্ৰেণীত**

**২০২৫ চনৰ ১ এপ্ৰিললৈকে সেৱাত জড়িত থকা  আৰু ৰাষ্ট্ৰীয় পেঞ্চন ব্যৱস্থাৰে সামৰি লোৱা বৰ্তমানৰ কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীক অন্তৰ্ভুক্ত কৰা হৈছে । দ্বিতীয়টো শ্ৰেণীত আজি বা ইয়াৰ পাছত সেৱাত যোগদান কৰিবলগীয়া নতুনকৈ নিযুক্তিপ্ৰাপ্তসকলক অন্তৰ্ভুক্ত কৰা হৈছে। তৃতীয় শ্ৰেণীত কালি অৰ্থাত ৩১ মাৰ্চ বা তাৰ আগেয়ে অৱসৰ গ্ৰহণ কৰা আৰু ৰাষ্ট্ৰীয় পেঞ্চন ব্যৱস্থাৰে সামৰি লোৱা কৰ্মচাৰীসকলক অন্তৰ্ভুক্ত কৰা হৈছে । উল্লেখযোগ্য যে  প্ৰায় ২৩ লাখ কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰী এই পেঞ্চন আঁচনিৰ দ্বাৰা উপকৃত হ 'ব।**

ooooo

## NEWS PAPER REV.

ৰাজ্য চৰকাৰে মন্ত্ৰীসভাৰ বৈঠকত ধানৰ ন্যূনতম সমৰ্থন মূল্য  প্ৰতি কুইণ্টলত দুহেজাৰ ৫৫০ টকালৈ বৃদ্ধি কৰিছে যদিও এই ধান ক্ৰয় প্ৰক্ৰিয়াৰ পৰা ৰাজ্যৰ লাখ লাখ কৃষক বঞ্চিত হৈছে। এই সন্দৰ্ভত অসমীয়া প্ৰতিদিন কাকতে বাতৰি প্ৰকাশ কৰিছে।

২০২৪-২৫ বিত্তীয় বৰ্ষত অসম চৰকাৰে বজাৰ ঋণ হিচাপে ১৯ হাজাৰ কোটি টকাৰ ঋণ লৈছে। অহা ২০ বছৰ পৰ্যন্ত চৰকাৰে এই ঋণৰ ধন পৰিশোধ কৰি থকাৰ আশংকাৰে দৈনিক অসম কাকতে বাতৰি প্ৰকাশ কৰিছে।

ৰাজ্যৰ শিক্ষা বিভাগে বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়নত গুৰুত্ব আৰোপ কৰিছে যদিও ৰাজ্যৰ ৭১ শতাংশ হাইস্কুলত নাই কম্পিউটাৰ শিক্ষা। এই বাতৰিটো দৈনিক জনমভূমি কাকতৰ।

এ পি ডি চি এলে আজিৰ পৰা তিনিতৰপীয়া নিৰিখত বিদ্যুৎ মাচুল সংগ্ৰহ কৰিব। দিনৰ সময়, সন্ধ্যা সময় আৰু নিশাৰ সময়- এই তিনিটা ভাগত শক্তি বিভাগে পৃথকে পৃথকে মাচুল সংগ্ৰহ কৰিব। এই বাতৰিটো আমাৰ অসম কাকতে প্ৰকাশ কৰিছে।

এই বছৰৰ পৰা চৰকাৰী বিদ্যালয়সমূহতহে নীট পৰীক্ষা অনুষ্ঠিত হ'ব। মেডিকেলৰ প্ৰৱেশ পৰীক্ষাক লৈ চৰকাৰৰ এই সিদ্ধান্তৰে নিয়মীয়া বাৰ্তা কাকতে বাতৰি প্ৰকাশ কৰিছে।

বাংলাদেশে দেশখনৰ সাগৰীয় জলভাগ চীনক উন্মুক্ত কৰি দিয়াৰ বাবে চীনৰ ৰাষ্ট্ৰপতিৰ সৈতে বৈঠকত অনুষ্ঠিত হৈছে। এই আলোচনাৰ সিদ্ধান্ত কাৰ্যকৰী হ'লে ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ ক্ষতি হ'ব। এই বাতৰি দৈনিক অগ্ৰদূত কাকতৰ।

এপ্ৰিলৰ পৰা জুনলৈকে দেশৰ প্ৰতিটো প্ৰান্ততে গৰমৰ প্ৰকোপ বৃদ্ধি পাব। কেন্দ্ৰীয় বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰা তথ্যৰে অসমীয়া খবৰ কাকতে বাতৰি প্ৰকাশ কৰিছে।

ম্যানমাৰৰ বিধবংসী ভূমিকম্পত মৃতকৰ সংখ্যা আৰু বৃদ্ধি পাইছে। এই সন্দৰ্ভত দি আছাম ট্ৰিবিউন কাকতে MYANMAR EARTH QUAKE DEATH TOLL CLIMBS PAST 2000 শিৰোনামেৰে প্ৰকাশ কৰিছে।

বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ সপোন সাকাৰ কৰিবলৈ দৃঢ় প্ৰতিজ্ঞ বুলি বিটিচিৰ প্ৰধান প্ৰমোদ বড়োৱে উল্লেখ কৰিছে। এই বাতৰিটো দ্যা ছেণ্টিনেল কাকতে WE ARE GOING TO TRANSLATE BODOFA'S DREAM : BTC CEM শিৰোনামেৰে প্ৰকাশ কৰিছে।

ooooo

গুৱাহাটী পৌৰ নিগম কৰ্তৃপক্ষই সম্পত্তি কৰ আদায়ৰ সময়সীমা বৃদ্ধি কৰা নহ'ব বুলি প্ৰকাশ কৰিছে। এই সময়সীমা বৃদ্ধি কৰাৰ বাবে একাংশ লোকে আহ্বান জনাইছিল যদিও নিগমে সময়সীমা বৃদ্ধি নকৰাৰ কথা স্পষ্ট কৰি দিয়ে। আজিৰেপৰা অতিৰিক্ত ২০ শতাংশ কৰ আদায় কৰা হ'ব বুলিও পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াই প্ৰকাশ কৰিছে। নিগমৰ সূত্ৰই প্ৰকাশ কৰা মতে এটা বিত্তীয় বৰ্ষৰ সম্পত্তিৰ কৰ ৩১ মাৰ্চৰ ভিতৰত জমা দিব লাগে। যিসকলে কালিৰ ভিতৰত এই কৰ জমা দিয়া নাই তেওঁলোকৰ পৰা অতিৰিক্ত ২০ শতাংশ জৰিমণা আদায় কৰা হ'ব বুলি প্ৰকাশ কৰা হৈছে।

ooooo

আই পি এল টি টুৱেন্টি ক্ৰিকেট প্ৰতিযোগীতাৰ এখন খেলত কালি নিশা মুম্বাইৰ ৱাংখাডে ষ্টেডিয়ামত মুম্বাই ইণ্ডিয়ানছে কলকাতা নাইট ৰাইডাৰ্ছক ৮ উইকেটত পৰাস্ত কৰে। খেলখনত মুম্বাই ইণ্ডিয়ানছে মাত্ৰ দুটা উইকেট হেৰুৱাই ১২ অভাৰ আৰু ৫ টা বলত ১১৭ ৰানৰ লক্ষ্য ভেদ কৰে। দলটোৰ হৈ অ 'পেনাৰ ৰায়ন ৰিকেলটনে ৪১টা বলত আউট নোহোৱাকৈ ৬২ ৰান সংগ্ৰহ কৰে। আনহাতে সূৰ্য্যকুমাৰ যাদৱে মাত্ৰ ৯টা বলত ২৭ ৰান কৰে। ইয়াৰ পূৰ্বে প্ৰথমে বেট ধৰি কলকাতা নাইট ৰাইডাৰ্ছে ১৬ অভাৰ আৰু দুটা বলত ১১৬ ৰান সংগ্ৰহ কৰি আটাইকেইটা উইকেট হেৰুওৱাই। কলকাতাৰ হৈ অংকৃশ ৰঘুবংশীয়ে ২৬ ৰান সংগ্ৰহ কৰে। বিপৰীতে মুম্বাইৰ হৈ ৪টা উইকেট দখল কৰা অশ্বিনী কুমাৰক প্লেয়াৰ অব দ্যা মেচ সন্মান প্ৰদান কৰা হয়। আজি লক্ষ্ণৌৰ একানা ক্ৰিকেট ষ্টেডিয়ামত লক্ষ্ণৌ ছুপাৰ জায়েন্টছে পঞ্জাব কিংছৰ বিৰুদ্ধে খেলিব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

ooooo

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ বাতৰি আৰু কেতবোৰ অনুষ্ঠানৰ সময় কিছু সাল-সলনি কৰা হৈছে।

পূৰ্বে সাত বাজি ৫ মিনিটত প্ৰচাৰিত 'জিলাৰ ৰেহৰূপ' অনুষ্ঠান আকাশবাণী সঞ্চালকৰ নিৰ্দেশ অনুসৰি আজিৰ পৰিৱৰ্তে অহা ৬ এপ্ৰিলৰ পৰা পুৱা ৯ বাজি ১৫ মিনিটৰ পৰা ৯ বাজি ২০ মিনিটলৈ প্ৰচাৰৰ দিহা কৰা হৈছে। ঠিক একেদৰে দিনৰ ১০ বজাত প্ৰচাৰিত মুখ্য বাতৰি অহা ৬ এপ্ৰিলৰ পৰা ১১ বজাত প্ৰচাৰ

কৰা হ’ব। বিবিধ ভাৰতীযোগে পুৱা ৭ বাজি ২৮ মিনিট আৰু নিশা ৮ বাজি ২৮ মিনিটত প্ৰচাৰিত মুখ্য বাতৰিৰ প্ৰচাৰো ৬ এপ্ৰিলৰ পৰা বন্ধ কৰা হ’ব।

০০০০০

বতৰৰ বতৰা –

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৬ দশমিক ৭ ডিগ্ৰী ছেলছিয়াছ হ’ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

বতৰ বিজ্ঞান কেন্দ্ৰই এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে। আনহাতে, মেঘালয়, নাগালেণ্ড, মিজোৰাম, আৰু মণিপুৰত বতৰ ফৰকাল হৈ থাকিব বুলি কেন্দ্ৰই লগতে প্ৰকাশ কৰিছে।

০০০০০

যোৱা ২৯ মাৰ্চত আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে আয়োজন কৰা ‘আপুনি কেনে আছে’ শীৰ্ষক অনুষ্ঠানৰ আধাৰত প্ৰস্তুত কৰা এটা বিশেষ অনুষ্ঠান আজি দিনৰ ১ বাজি কুৰি মিনিটত প্ৰাসংগিক অনুষ্ঠানত শুনিবলৈ পাব। অনুষ্ঠানটি প্ৰযোজনা কৰিব আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০০

সমাপ্ত